**3 (Sem–3) ASM M 2**

# 2016

## ASSAMESE

( Major )

Paper : 3.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

তলৰ যি কোনো এটা শাখাৰ উত্তৰ দিয়া

**ক—শাখা**

**( শঙ্কৰদেৱ )**

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) অজামিলৰ কেইজন পুত্ৰ আছিল ?

(খ) 'অজামিল উপাখ্যান'ৰ উৎস গ্ৰন্থ কি ?

(গ) শুকে কাৰ আগত প্ৰহ্লাদৰ চৰিত বৰ্ণনা কৰিছে ?

(ঘ) 'ভাগৱত'ৰ কোন স্কন্ধৰ পৰা শঙ্কৰদেৱে 'ৰাসক্ৰীড়া'ৰ কাহিনীভাগ গ্ৰহণ কৰিছে ?

(ঙ) ৰুক্মিণীৰ ককায়েকৰ নাম কি ?

(চ) বেজবৰুৱাই শঙ্কৰদেৱৰ কোনখন গ্ৰন্থক "অসমীয়া মতা মানুহৰ কাণৰ লংকেৰু, হাতৰ গামখাৰু, আঙুলিৰ বাখৰপতোৱা আঙ্গঠি আৰু তিৰোতাৰ ডিঙিৰ কোটমণি, গলপতা আৰু সাতসৰী হাৰ" বুলি অভিহিত কৰিছে ?

(ছ) ৰামচৰণ ঠাকুৰ ৰচিত 'গুৰুচৰিত'ৰ মতে শঙ্কৰদেৱে প্ৰথমটো বৰগীত ক'ত ৰচনা কৰিছিল ?

(জ) 'মধুৰ মুৰুতি মুৰাৰু' কি বিষয়ক বৰগীত ?

(ঝ) নাটকীয় কলা-কৌশলৰ দিশত শঙ্কৰদেৱৰ কোনখন নাটকক শ্ৰেষ্ঠ বুলি বিবেচনা কৰা হয় ?

(ঞ) নৰকাসুৰক বধ কৰি শ্ৰীকৃষ্ণই কাক প্ৰাগজ্যোতিষপুৰৰ সিংহাসনত বহুৱাইছিল ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'পাৰিজাত হৰণ' নাটকত প্ৰথমে কোনে আনি, কাক পাৰিজাত ফুল উপহাৰ দিছিল ?

(খ) শ্ৰীকৃষ্ণই কুণ্ডিললৈ কৰা যাত্ৰাপথত কোন ৰজাৰ, কোনখন ৰাজ্যত আতিথ্য গ্ৰহণ কৰিছিল ?





(গ) 'সুন সুন ৰে সুৰবৈৰী' শীৰ্ষক বৰগীতটো কি ৰাগত বন্ধা আৰু ইয়াত 'সুৰবৈৰী' বুলি কাক কোৱা হৈছে ?

(ঘ) অজামিল জাতত কি আছিল আৰু তেওঁৰ ভাৰ্যা কোন আছিল ?

(ঙ) ষণ্ডামৰ্ক কাৰ তনয় ? তেওঁলোকে প্ৰহ্লাদক কি শাস্ত্ৰ পঢ়াইছিল ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) বেজবৰুৱাই শঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ কাব্য' সম্পৰ্কত দাঙি ধৰা—"ই শঙ্কৰদেৱৰ অমৃতময় লেখনীৰ অমৃতৰ ধাৰ" শীৰ্ষক অভিমতৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(খ) যমদূতৰ হাতৰ পৰা কোনে আৰু কিয় মহাপাপী অজামিলক ৰক্ষা কৰিলে, বুজাই লিখা।

(গ) ৰাসক্ৰীড়াৰ মূল তাৎপৰ্য কি, আলোচনা কৰা।

(ঘ) হিৰণ্যকশিপুই কেনেদৰে তপস্যা কৰি ব্ৰহ্মাৰ পৰা বৰ লাভ কৰিছিল, বৰ্ণনা কৰা।

(ঙ) 'পাৰিজাত হৰণ' নাটত বীৰৰসে কিদৰে প্ৰাধান্য বিস্তাৰ কৰিছে, বিৱৰি লিখা।

(চ) 'গোপালে কি গতি কৈলে ...' শীৰ্ষক বৰগীতটোৰ ভাবাৰ্থ বহলাই লিখা।

(ছ) 'বৰগীত' নামৰ তাৎপৰ্য ব্যাখ্যা কৰা।

৪। (ক) 'কীৰ্ত্তন-ঘোষা'ত ফুটি উঠা কাব্য-সৌন্দর্য তোমাৰ পাঠ্যক্রমৰ অন্তৰ্গত খণ্ডকেইটাৰ আলমত বিচাৰ কৰা। ১০

*অথবা*

(খ) 'কীৰ্ত্তন-ঘোষা'ত নবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্ত্তনক প্ৰধান স্থান দিয়াৰ তাৎপৰ্য ব্যাখ্যা কৰা। ১০

৫। (ক) বৰগীতৰ ৰাগ আৰু তাল সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) বৰগীতসমূহত ওখ নৈতিক আৰু আধ্যাত্মিক ভাব কিদৰে প্ৰতিফলিত হৈছে, শঙ্কৰদেৱৰ বিৰচিত বৰগীতকেইটাৰ আলমত বিচাৰ কৰা। ১০

৬। তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) অংকীয়া নাটত সূত্ৰধাৰৰ ভূমিকা সম্পৰ্কে বহলাই আলোচনা কৰা।

(খ) শঙ্কৰদেৱে 'পাৰিজাত হৰণ' নাটৰ চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত দেখুওৱা বিচক্ষণতা সম্পৰ্কে ফঁহিয়াই আলোচনা কৰা।

(গ) শঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ কাব্য'ত 'হৰিবংশ', 'ভাগৱত পুৰাণ' আৰু কবিৰ মৌলিক সৃষ্টিৰ কিদৰে সংমিশ্ৰণ ঘটিছে, উদাহৰণসহ বুজাই লিখা।





## খ—শাখা

## ( লক্ষ্মীনাথ বেজবৰুৱা )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) সিধাই খাটনিয়াৰৰ ভায়েকৰ নাম কি?

(খ) বেজবৰুৱাৰ 'সুৰভি' পোনতে কোন চনত প্ৰকাশ হৈছিল?

(গ) 'লাওখোলা' গল্পত উল্লিখিত লাওখোলাটো ক'ত উদ্ধাৰ হৈছিল?

(ঘ) 'স্বৰ্গাৰোহণ' গল্পত উল্লিখিত 'প্ৰেমৰ বাতৰি' শীৰ্ষক ছবিখন কি ছবিৰ আৰ্হিত অঁকা?

(ঙ) 'চোৰ' গল্পটোৰ চোৰজনৰ প্ৰকৃত নাম কি?

(চ) উৰিষ্যাৰ ঠগ পাণ্ডাজনে বাঁৰীৰ জীয়েকক ফুচুলাই আনি ক'ত বিক্ৰী কৰি গৈছিল?

(ছ) বেজবৰুৱাৰ 'প্ৰেমৰ সৌন্দৰ্য' কবিতাটো কোনখন কাব্য সংকলনৰ অন্তৰ্গত?

(জ) কোৱাভাতুৰীয়া ওঁঠৰ তলত কি শুই থাকে?

(ঝ) 'কৃপাবৰ বৰুৱাৰ ওভতনি' প্ৰথমে কেতিয়া প্ৰকাশ হৈছিল?

(ঞ) বৰবৰুৱাৰ ওচৰত ভাৰত উদ্ধাৰৰ কিমানটা 'প্লেন' আছে?

২ । চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'বসন্ত'ত উল্লেখ কৰা বলিয়া মাহ দুটা কি কি?

(খ) বেজবৰুৱাৰ কবিতা সংকলন দুখনৰ নাম লিখা।

(গ) বেজবৰুৱাই 'ভ্ৰম' কবিতাটোত কি অলংকাৰে প্ৰাধান্য লাভ কৰিছে? এটা উদাহৰণ দিয়া।

(ঘ) 'ভুৰুকী বৌ' গল্পত উল্লিখিত দুটা বাঙালী চৰিত্ৰৰ নাম লিখা।

(ঙ) "পুৰা-গধূলিৰ আহৰি কালটো মই কন্যাৰ পাৰত কটাওঁ। বৰ ভাল লাগে। ঘাইকৈ তাত মোৰ দুটা সকাম।" এই সকাম দুটা কি কি?

( Continued )





৩ । যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) বৰবৰুৱাই ট্ৰেমগাড়ীত ভ্ৰমণ কৰা সময়ত বাবু এজনে 'ফিৰিঙ্গী' শব্দটো সৃষ্টি হোৱাৰ ইতিহাস কি বুলি ব্যাখ্যা কৰিছিল, বৰ্ণনা কৰা।

(খ) 'অৱতাৰ' আৰু 'ভাৰত উদ্ধাৰ' প্ৰবন্ধ দুটাৰ মাজেৰে কৃপাবৰৰ সংস্কাৰকামী চেতনা কেনেদৰে প্ৰকাশ পাইছে, বিৱৰি লিখা।

(গ) 'বীণ আৰু ব'ৰাগী' কবিতাত কবিৰ স্বদেশপ্ৰেম কেনেদৰে ব্যঞ্জিত হৈছে, লিখা।

(ঘ) কবি বেজবৰুৱাৰ ৰোমাণ্টিক প্ৰেমভাবনা 'মালতী' কবিতাত কেনেদৰে ফুটি উঠিছে, বৰ্ণনা কৰা।

(ঙ) কলিকতাৰ চহকী গৃহস্থৰ 'বসতাবাড়ী' আৰু 'বাগানবাড়ী' কি? বুজাই লিখা।

(চ) 'স্বৰ্গাৰোহণ' গল্পৰ কাহিনীভাগ বৰ্ণনা কৰা।

৪ । (ক) ভগৱান দাস বাবাজী কোন? 'গীতা'ৰ শ্লোক শুনি তেওঁ কিয় কান্দিছিল, বিৱৰি লিখা। ১০

*অথবা*

(খ) নীলাম্বৰ শৰ্মাই চেঙেলিয়া বয়সত মাধৈ মালতীক কি বিপদৰ পৰা ৰক্ষা কৰা বাবে তাই তেওঁৰ ধাৰ শুজিব নোৱাৰে বুলি চিঠি লিখি জনাইছিল, বিতংকৈ লিখা। ১০



( Turn Over )

৫। (ক) 'জয়ন্তী' গল্পত জয়ন্তীৰ সাহসিকতা আৰু দাম্পত্য প্ৰেমৰ ছবি কেনেদৰে ফুটি উঠিছে, বৰ্ণনা কৰা। ১০

*অথবা*

(খ) বেজবৰুৱাৰ গল্পত প্ৰতিফলিত সমাজজীৱনৰ ছবি 'সাধু কথাৰ কুকি'ৰ গল্পসমূহৰ আধাৰত উপস্থাপন কৰা। ১০

৬। (ক) ''সৰল দেশপ্ৰেম আৰু এটি গভীৰ আধ্যাত্মিক সুৰ—এই দুয়ে তেওঁৰ কবিতাৰ দুটি দিশ নিৰ্ণয় কৰে।'' বেজবৰুৱাৰ কবিতা সম্পৰ্কত সমালোচকে কৰা এই উক্তিৰ যথাৰ্থতা বিচাৰ কৰা। ১০

*অথবা*

(খ) কৃত্ৰিম মালিতা কি? বেজবৰুৱাৰ 'ধনবৰ আৰু ৰতনী'ক এই শ্ৰেণীৰ কবিতাত অন্তৰ্ভুক্ত কৰিব পাৰিনে? বিশ্লেষণ কৰা। ১০

৭। (ক) 'কৃপাবৰ বৰুৱাৰ ওভতনি'ৰ অন্তৰ্গত প্ৰবন্ধকেইটাৰ আলমত বেজবৰুৱাৰ গদ্যৰীতিৰ আভাস দিবলৈ যত্ন কৰা। ১০

*অথবা*

(খ) এই পৃথিৱীত পুনৰ অৱতাৰ লৈ বৰবৰুৱাই অসমৰ অৱস্থা কেনে দেখিছে, বৰ্ণনা কৰা। ১০

★★★